# নেল্লিক্কট্টু কল্লেৰিয়িল মাধৱী

***বনাম***

# কাৱাক্কলাথিল কালিকুট্টি আৰু অন্যান্য

**২৯ নৱেম্বৰ, ১৯৯৬**

**[ন্যায়াধীশ কে. ৰামাস্বামী আৰু ন্যায়াধীশ জি. টি. নানাৱটী]**

*নিলাম বিক্রয় – উত্তৰদাতাসকলে আদেশৰ কাৰ্যকৰীকৰণ সাপেক্ষে সম্পত্তিটো ক্রয় কৰিছিল – তেওঁলোকক বিক্রীৰ প্রমাণ-পত্র জাৰি কৰা হৈছিল আৰু তেওঁলোকক সম্পত্তিৰ দখলীস্বত্বও প্রদান কৰা হৈছিল – তাৰপাছত উত্তৰদাতাসকলে আবেদনত উল্লেখিত সম্পত্তি বাদীক অৰ্পণ কৰিছিল – উত্তৰদাতাসকলে আবেদনকাৰীক দখলীস্বত্বৰ ওপৰত হস্তক্ষেপ কৰাত বাধা দিয়াৰ বাবে স্থায়ী নিষেধাজ্ঞা বিচাৰিছিল – বিচাৰ আদালত আৰু আপীল আদালতে আবেদনকাৰীৰ গোচৰ গ্রহণ কৰিছিল - উচ্চ ন্যায়ালয়ে ৰায় দিছিল যে নিম্ন আদালতৰ দ্বাৰা বস্তুগত প্রমাণ বিবেচনা কৰা হোৱা নাছিল – উচ্চতম ন্যায়ালয়ৰ ওচৰত আবেদন দাখিল কৰা হৈছিল – ৰায় দিয়া হৈছিল যে বস্তুগত প্রমাণৰ অ-বিবেচনা এক গুৰুত্বপূৰ্ণ আইনী প্রশ্ন - দ্বিতীয় আবেদনত উচ্চ ন্যায়ালয়ৰ দ্বাৰা প্রদান কৰা স্থায়ী নিষেধাজ্ঞা কোনো আইনী ভুলৰ বাবে উলংঘন কৰা হোৱা নাই আৰু আনকি হস্তক্ষেপৰ প্রয়োজনবোধ কৰা গুৰুত্বপূৰ্ণ আইনী প্রশ্নৰ দ্বাৰাও উলংঘনীয় নহয়।*

দেৱানী আপীল ক্ষেত্ৰাধিকাৰ : ১৯৯৬-ৰ দেৱানী আবেদন সংখ্যা ১৫৬১২।

১৯৮৯-ৰ দ্বিতীয় আবেদন সংখ্যা ৩৬৮-ত কেৰালা উচ্চ ন্যায়ালয়ৰ ২৪.৫.৯৩ তাৰিখৰ ৰায়দান আৰু আদেশৰ পৰা।

আবেদনকাৰীৰ হৈ কে. সুকুমাৰণ, মিছ বেবী কৃষ্ণ আৰু এন. সুধাকৰণ।

উত্তৰদাতাসকলৰ হৈ এম. পি. বিনোদ।

আদালতৰ নিম্নলিখিত আদেশ প্ৰদান কৰা হৈছিল :

অনুমতি প্ৰদান কৰা হ'ল।

আমি দুয়ো পক্ষৰে বিজ্ঞ অধিবক্তাৰ বক্তব্য শুনিলোঁ।

বিশেষ অনুমতিৰ দ্বাৰা দাখিল কৰা এই আবেদন ১৯৮৯ চনৰ দ্বিতীয় আবেদন সংখ্যা ৩৬৮-ত কেৰালা উচ্চ ন্যায়ালয়ে ১৯৯৩ চনৰ ২৪ মে' তাৰিখে প্ৰদান কৰা ৰায়দান আৰু আদেশৰ পৰা উদ্ভৱ হৈছে। উত্তৰদাতাসকলে জিলা মুঞ্চিফ আদালত, পাৰাপ্পানঙ্গদীত নথিভুক্ত মূল পক্ষ আবেদন সংখ্যা ২৬২/১৯৫৫-ৰ আদেশৰ কাৰ্যকৰীকৰণ সাপেক্ষে আবেদনত উল্লেখিত সম্পত্তি ক্ৰয় কৰিছিল। ১৯৫৮ চনৰ ২৮ জানুৱাৰী তাৰিখৰ প্ৰদৰ্শক ক-২, অৰ্থাৎ বিক্ৰীৰ প্ৰমাণ-পত্ৰখন উত্তৰদাতাসকলক প্ৰদান কৰা হৈছিল। তেওঁলোকে সম্পত্তিৰ দখলীস্বত্ব হস্তান্তৰৰ বাবেও এখন আবেদন দাখিল কৰিছিল যিটো ২১.৭.১৯৬১ তাৰিখৰ প্ৰদৰ্শক ক-৩-ৰ অধীনত হস্তান্তৰ কৰা হৈছিল। ২০ অক্টোবৰ, ১৯৬১ তাৰিখে দখলীস্বত্ব প্ৰাপ্ত কৰাৰ পাছত তেওঁলোকে বাদীক আবেদনত উল্লেখিত সম্পত্তি অৰ্পণ কৰিছিল। এই পৰিপ্ৰেক্ষিতত এই প্ৰশ্ন উত্থাপন হয় যে আবেদনকাৰীক তেওঁৰ দখলীস্বত্বত হস্তক্ষেপ কৰাৰ ওপৰত বাধা আৰোপ কৰাৰ অৰ্থে স্থায়ী নিষেধাজ্ঞাৰ আদেশ লাভ কৰাৰ অধিকাৰ তেওঁলোকৰ আছে নে নাই? যদিও বিচাৰ আদালত আৰু আপীল আদেলতে আবেদনকাৰীৰ গোচৰ গ্ৰহণ কৰিছিল, তথাপিও

উচ্চ ন্যায়ালয়ে আঙুলিয়াই দিছিল যে উপৰোক্ত নথিসমূহ বিতৰ্কসম্পৰ্কীয় সিদ্ধান্ত গ্ৰহণ কৰাৰ বাবে বস্তুগত প্ৰমাণ আৰু নিম্ন আদালতসমূহে এই নথিসমূহ সঠিক দৃষ্টিভঙ্গীৰে বিবেচনা কৰা নাছিল। সেই অনুসৰি, দ্বিতীয় আবেদনত উচ্চ ন্যায়ালয়ে সেই প্ৰশ্নটো বিবেচনা কৰিছিল। এয়া এক সু-নিৰ্ধাৰিত আইন যে আদালতৰ নিলাম বিক্ৰয়ত যিগৰাকী ব্যক্তিয়ে সম্পত্তি ক্ৰয় কৰে, তেওঁ প্ৰকৃত মালিক হিচাপে আদালতৰ দ্বাৰা জাৰি কৰা বিক্ৰীৰ প্ৰমাণ-পত্ৰৰ যোগদি সেই সম্পত্তিৰ স্বত্ব লাভ কৰে, আৰু বিক্ৰী নিশ্চিত হোৱাৰ পাছত তেওঁ তাৰ দখলীস্বত্ব লাভ কৰে। ১৯৬১ চনৰ ২১ জুলাইত প্ৰদৰ্শক ক-৩-ৰ অধীনত আবেদনত উল্লেখিত সম্পত্তি শংকৰণক হস্তান্তৰ কৰাৰ প্ৰতি লক্ষ্য ৰাখি তেওঁ আইনগতভাৱে দখলীস্বত্ব লাভ কৰিছিল আৰু তাৰপাছত একেখিনি বাদীসকললৈ হস্তান্তৰ কৰা হৈছিল। বস্তুগত প্ৰমাণৰ অ-বিবেচনা আইনৰ এক গুৰুত্বপূৰ্ণ প্ৰশ্ন।

এই পৰিপ্ৰেক্ষিতত দ্বিতীয় আবেদনত উচ্চ ন্যায়ালয়ৰ দ্বাৰা প্ৰদান কৰা স্থায়ী নিষেধাজ্ঞা কোনো আইনী ভুলৰ বাবে উলংঘন কৰা হোৱা নাই আৰু আনকি হস্তক্ষেপৰ প্ৰয়োজনবোধ কৰা গুৰুত্বপূৰ্ণ আইনী প্ৰশ্নৰ দ্বাৰাও উলংঘনীয় নহয়। সেই অনুসৰি আবেদন খাৰিজ কৰা হ’ল। যদি আবেদনকাৰীয়ে ইয়াৰ পৰা পৃথকভাৱে কোনো স্বত্ব লাভ কৰিছে, তেন্তে তেওঁৰ বাবে আইন অনুসৰি এই অধিকাৰ প্ৰতিষ্ঠা কৰাৰ পথ মুকলি।

* * * * * * * *

অনুবাদ – ভাস্বতী গোস্বামী, কনিষ্ঠ অনুবাদক, গৌহাটী উচ্চ ন্যায়ালয়

DISCLAIMER

"The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical and official purposes, the English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation".

(“স্থানীয় ভাষালৈ অনুদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে। ইয়াৰ বাবে অন্য ক্ষেত্ৰত অনুদিত ৰূপ ব্যৱহৃত নহ’ব। সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্যকৰীকৰণ আৰু ৰূপায়ণৰ ক্ষেত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৱেই সঠিক বিবেচিত হ’ব।”)